**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

Date : 16-08-2025 **Time :** 1205Hrs.

**<u>Assamese Midday Bulletin</u>**

0000000

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই ২০২৭ চনত অসমত ৰাষ্ট্ৰীয় ক্ৰীড়া মহোৎসৱ অনুষ্ঠিত হোৱাৰ সম্ভাৱনা আছে বুলি প্ৰকাশ কৰিছে। উত্তৰ গুৱাহাটীত আজি দুখনকৈ উন্নত মানৰ ক্ৰীড়া একাডেমী মুকলি কৰি মুখ্যমন্ত্ৰীগৰাকীয়ে এইদৰে প্ৰকাশ কৰে। তেওঁ কয় যে এই একাডেমী দুখনৰ জৰিয়তে ৰাজ্যৰ ক্ৰীড়াক্ষেত্ৰলৈ আমূল পৰিৱৰ্তন আহিব। ৪০ বিঘা ভূমিত নিৰ্মাণ কৰা অসম ক্ৰিকেট সন্থাৰ ক্ৰিকেট একাডেমী আৰু গুৱাহাটী টাউন ক্লাবৰ ফুটবল একাডেমী দুখনত হোষ্টেল, জিম, পেভিলিয়ন, ইনড'ৰ ষ্টেডিয়াম আৰু খেলপথাৰকে ধৰি সকলো ধৰণৰ সা-সুবিধা আছে। উদ্বোধনী অনুষ্ঠানত মন্ত্ৰী অশোক সিংহাল উপস্থিত থাকে।

0000000

স্বাধীনতা সংগ্ৰামৰ উত্তৰ-পূৰ্বাঞ্চলৰ সংগ্ৰামীসকলৰ প্ৰতি শ্ৰদ্ধাৰ্ঘ্য জনোৱাৰ উদ্দেশ্যে ৰাজ্য চৰকাৰৰ সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ উদ্যোগত গুৱাহাটীৰ শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰৰ শ্ৰীশ্ৰী মাধৱদেৱ আন্তৰ্জাতিক প্ৰেক্ষাগৃহত পৰাক্ৰমী পূৰ্বোত্তৰ নাট মেলা অনুষ্ঠিত হৈছে। নাট মেলাত আজি মৃণাল কুমাৰ বৰা ৰচিত আৰু পৰিচালিত গোভা ৰজা ছত্ৰচিং - অপ্ৰতিৰোধ্য দেওৰজা শীৰ্ষক নাটখন মঞ্চস্থ কৰা হ'ব। নগাঁৱৰ ৰংগালয় গোষ্ঠীৰ এই নাটখন সন্ধিয়া ৫ আৰু চাৰে ৭ বজাত মঞ্চস্থ কৰা হ'ব।

উল্লেখযোগ্য যে প্ৰতিদিনে সন্ধিয়া পাঁচ বজাৰ পৰা অনুষ্ঠিত এই নাটমেলাৰ বাবে শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰৰ মূল প্ৰৱেশদ্বাৰত ১৮ আগষ্ট পৰ্যন্ত নিতৌ দিনৰ ১১ বজাৰ পৰা বিয়লি ৪ বজালৈ প্ৰৱেশ পত্ৰ সংগ্ৰহ কৰিব পাৰিব। ১২ বছৰৰ অনুৰ্ধ শিশুৰ প্ৰেক্ষাগৃহত প্ৰৱেশত বাধা থাকিব।

0000000

প্ৰাক্তন প্ৰধানমন্ত্ৰী, ভাৰতৰত্ন সন্মানেৰে বিভূষিত অটল বিহাৰী বাজপেয়ীৰ সপ্তম মৃত্যু বাৰ্ষিকীত আজি সমগ্ৰ ৰাষ্ট্ৰই প্ৰয়াত নেতাগৰাকীক শ্ৰদ্ধাৰে স্মৰণ কৰিছে। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে আৰু প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি পুৱা ৰাষ্ট্ৰীয় ৰাজধানী দিল্লীত থকা তেওঁৰ স্মৃতিসৌধ **সদৈৱ অটল**ত প্ৰাক্তন প্ৰধানমন্ত্ৰীগৰাকীলৈ পুষ্পাৰ্ঘ্য নিবেদন কৰে। কেন্দ্ৰীয় মন্ত্ৰী ৰাজনাথ সিং, জে পি নাড্ডা, কিৰেন ৰিজিজু, গজেন্দ্ৰ সিং শেখাৱত, লোকসভাৰ অধ্যক্ষ ওম বিৰলা, দিল্লীৰ মুখ্যমন্ত্ৰী ৰেখা গুপ্তাকে ধৰি ভালেমান গণ্যমান্য ব্যক্তিয়ে এই উপলক্ষে আয়োজিত অনুষ্ঠানত উপস্থিত থাকি সু-শাসনৰ প্ৰতিভু প্ৰয়াত বাজপেয়ীৰ প্ৰতি শ্ৰদ্ধা নিবেদন কৰে।

0000000

গুৱাহাটী মহানগৰ যানবাহন আৰক্ষীয়ে আজিৰে পৰা পুনৰ বগা ইউনিফৰ্ম পৰিধান কৰি কৰ্তব্য পালন কৰিছে। মহানগৰ আৰক্ষীয়ে ৰাজ্যজুৰি যান-বাহন আৰক্ষীৰ একক পৰিচয় সুনিশ্চিত কৰাৰ উদ্দেশ্যে পূৰ্বৰ বগা পোছাক ইউনিফৰ্ম হিচাপে বাহাল ৰখাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। উল্লেখযোগ্য যে ২০১৭ চনত মহানগৰৰ যান-বাহন আৰক্ষীয়ে বগাৰ পৰিৱৰ্তে ডাঠ নীলা ৰঙৰ পোছাক ব্যৱহাৰ কৰাৰ সিদ্ধান্ত লৈছিল।

0000000

ডিব্ৰুগড় জিলা আৰক্ষীয়ে টিংখাঙৰ ৰাজগড়ত ধন দাবী কৰাৰ অভিযোগত ৪জন লোকক আটক কৰিছে। যোৱা নিশা ৰাজপথত গাড়ী ৰখাই ধন দাবী কৰাৰ অভিযোগত গ্ৰেপ্তাৰ কৰা লোককেইজনক ডাউড খান, পৱিত্ৰ নেওগ, অনুপ গগৈ আৰু বন্দিপ বাছ্‌কে বুলি চিনাক্ত কৰা হৈছে। এটা পেট্ৰ'ল ডিপোৰ সমীপত ৰখাই থোৱা ট্ৰাকৰ পৰা ধন দাবী কৰাৰ অভিযোগত এই লোকসকলক গ্ৰেপ্তাৰ কৰা হৈছে।

0000000

গোলাঘাট জিলাৰ অসম-নাগালেণ্ড সীমান্তৰ মেৰাপানীত বনভোজ খাবলৈ যোৱা তিনিজন যুৱকক কালি নগা দুৰ্বৃত্তই আক্ৰমণ কৰে। আমাৰ গোলাঘাটৰ সংবাদদাতাই জনোৱা মতে দুৰ্বৃত্তই এজন যুৱকক এয়াৰ গানেৰে গুলীওৱাৰ লগতে আন দুজনক প্ৰহাৰ কৰে। কদমগুৰি অঞ্চলৰ সমীপৰ ৰুণী বস্তিত বনভোজ খাই উভতি অহাৰ সময়তে নগা দুৰ্বৃত্তই তেওঁলোকক আক্ৰমণ কৰে।  এই ঘটনাৰ পৰিপ্ৰেক্ষিতত বহুকেইটা সংগঠনে মেৰাপানী সীমান্তত নগা লোকৰ প্ৰৱেশ নিষিদ্ধ কৰিছে বুলি আমাৰ সংবাদদাতাই জনাইছে।

0000000

২০০৪ চনৰ ১৫ আগষ্টত ধেমাজিত বোমা বিস্ফোৰণত প্ৰাণ হেৰুওৱা ১৩টি শিশুক স্মৰণ কৰি ৰাজ্যৰ বিভিন্ন অংশত আজি শোক দিৱস পালন কৰা হৈছে। এই উপলক্ষে শিক্ষা মন্ত্ৰী ডাঃ ৰণোজ পেগুৱে স্বাধীনতা দিৱসৰ দিনাই কৰুণভাৱে মৃত্যুক সাৱটি লোৱা শিশুকেইটিলৈ শ্ৰদ্ধাৰ্ঘ্য নিবেদন কৰিছে। মন্ত্ৰীগৰাকীয়ে সামাজিক মাধ্যমযোগে দিয়া এটা বাৰ্তাত কয় যে ধেমাজিবাসীয়ে স্বাধীনতা দিৱস উদযাপন কৰিবলৈ অহা শিশু শিক্ষাৰ্থী, নাগৰিকৰ কৰুণ মৃত্যুত সেই বিষাদ গধুৰ স্মৃতি কেতিয়াও পাহৰিব নোৱাৰে। এই কৰুণ ঘটনাই আমাক সকলোকে সন্ত্ৰাসবাদৰ বিৰুদ্ধে আৰু মানৱীয় প্ৰমূল্যবোধৰ সপক্ষে ঐক্যবদ্ধভাৱে যুঁজ দিবলৈ সাহস যোগাব।

0000000

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগে আজি নিশা ৮ বাজি ২ মিনিটত এটা বিশেষ দৃষ্টিপাত অনুষ্ঠান প্ৰচাৰ কৰিব। **"স্বাধীনতাৰ প্ৰত্যাশা-কি পালো, কি নাপালো"** শীৰ্ষক এই অনুষ্ঠানত ৰাজ্যখনৰ বিভিন্ন স্থানৰ কেইবাগৰাকীও বৰ্ষীয়ান ব্যক্তিয়ে স্বৰাজোত্তৰ কালৰ অভিজ্ঞতা ব্যক্ত কৰিব। অনুষ্ঠানটোৰ পৰিকল্পনা, প্ৰযোজনা আৰু উপস্থাপন আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগৰ মুৰববী ৰাজীৱ লোচন বৰঠাকুৰৰ।

0000000

**সমাপ্ত**